অমিত্ৰাক্ষৰ-ছন্দৰ আৰু এটা শ্ৰেণীয়ে আধুনিক সাহিত্যত প্ৰতিষ্ঠা লাভ কৰিছে। প্ৰথমতে এই বিধ ছন্দৰ সৃষ্টি কৰিছিল বিখ্যাত বঙালী নাট্যকাৰ গিৰিশচন্দ্ৰ ঘোষে। মধুসূদন দত্তৰ চৈধ্য অক্ষৰীয় অমিত্ৰাক্ষৰ ছন্দৰ পৰিবৰ্ত্তে তেওঁ অভিনেতাৰ সুবিধাৰ কাৰণে নাটকত এইবিধ ছন্দৰ প্ৰয়োগ কৰে।

অমিত্ৰাক্ষৰ ছন্দ দুবিধ

এইবিধ ছন্দৰ একোটা পংক্তি চৈধ্য অক্ষৰৰ কাৰণে নিৰ্দ্দিষ্ট নহয়, একোটা ভাৱপ্ৰকাশক শব্দ কেইটাৰ কাৰণেহে একোটা পংক্তি নিৰ্দ্দিষ্ট। ভাৱৰ প্ৰৱহমানতা এই বিধ ছন্দৰো অন্যতম লক্ষণ। ইয়ো এক প্ৰকাৰ মুক্তক ছন্দই। গিৰিশচন্দ্ৰৰ নামানুসৰি বঙালী সাহিত্যত ইয়াক "গৈৰিশ-ছন্দ" বোলে। আমাৰ সাহিত্যত চন্দ্ৰধৰ বৰুৱাই "কামৰূপ-জীয়ৰী" আৰু "বিদ্যুৎবিকাশ" কাব্য আৰু "মেঘনাদ-বধ" আৰু "তিলোত্তমা-সম্ভৱ" নাটক এই ছন্দত ৰচনা কৰিছে। অতুলচন্দ্ৰ হাজৰিকা দেৱেও "নৰকাসুৰ", "শকুন্তলা" আদি নাটকত এই বিধ ছন্দৰ প্ৰয়োগ কৰিছে। এই বিধ ছন্দৰ নমুনা :

ৰাৱণ—নকৰা বিলাপ ৰাণী,
নাই ফল বিলাপত—
নাহে আৰু মেঘনাদ উভতি ঘুনাই।
ৰাৱণৰ জীৱনৰ
প্ৰতিহিংসা মাথোঁ আজি উদ্দেশ্য কেৱল।
(চন্দ্ৰধৰ বৰুৱা)

গতিকে অমিত্ৰাক্ষৰ-ছন্দৰ শ্ৰেণী দুটা।

—×—